**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰে অষ্টাদশ ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি লক্ষ্ণৌত উত্তৰ প্ৰদেশ দিৱস উদযাপন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত গ্ৰন্থ কুটিৰ উদ্বোধন কৰে।

৪। দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডৰ বাবে নতুন দিল্লীৰ কৰ্তব্য পথত প্ৰস্তুতি অব্যাহত আছে। ***আৰু***

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিঙ ব্যৱস্থাৰে অষ্টাদশ ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেওঁ এখন জনসভাকো সম্বোধন কৰিব। দেশৰ ৪৫টা স্থানত এই অষ্টাদশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগত যুৱক-যুৱতীসকলে নিযুক্তি লাভ কৰিছে। উল্লেখযোগ্য যে, নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ৰোজগাৰ মেলা চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। সমগ্ৰ দেশতে এই মেলাৰ জৰিয়তে এতিয়ালৈ ১১ লাখতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি লক্ষ্ণৌত উত্তৰ প্ৰদেশ দিৱস উদযাপন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰ প্ৰেৰণা স্থলত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে শ্ৰীশ্বাহে **এখন জিলা এটা ৰন্ধনশৈলী** আঁচনি মুকলি কৰিব। এই উদ্যমৰ অধীনত উত্তৰ প্ৰদেশৰ প্ৰত্যেক জিলাৰ এটা সুকীয়া ৰন্ধনশৈলী চিনাক্ত কৰা হ'ব আৰু ইয়াক উন্নগত গুণগত মান, ব্ৰেণ্ডিং আৰু বজাৰ প্ৰৱেশাধিকাৰৰ সৈতে সংযুক্ত কৰা হ'ব, যাতে থলুৱা ৰন্ধনশৈলীসমূহে ৰাষ্ট্ৰীয় আৰু গোলকীয় স্বীকৃতি লাভ কৰিব পাৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰ্দাৰ পেটেল ঔদ্যোগিক অঞ্চল কাৰ্যসূচীও মুকলি কৰিব। শ্ৰীশ্বাহে উত্তৰ প্ৰদেশ চৰকাৰৰ মুখ্যমন্ত্ৰী যুৱ উদ্যমী বিকাশ যোজনাৰ অধীনত উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা জিলাসমূহক বঁটা প্ৰদান কৰিব। এই উপলক্ষে তেওঁ ২০২৫-২৬ বৰ্ষৰ বাবে উত্তৰ প্ৰদেশ গৌৰৱ সন্মানো প্ৰদান কৰিব।

00000

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত গ্ৰন্থ কুটিৰ উদ্বোধন কৰে। এই কুটিৰত প্ৰায় ৫০টা পাণ্ডুলিপি আৰু ১১টা ভাৰতীয় ধ্ৰুপদী ভাষাৰ দুহেজাৰ ৩০০ খন গ্ৰন্থ সংগ্ৰহ কৰা হৈছে। এই কুটিৰত মহাকাব্য, দৰ্শন, ভাষা, বুৰঞ্জী, শাসন ব্যৱস্থা, বিজ্ঞান, আধ্যাত্মিক সাহিত্যৰ লগতে ভাৰতীয় সংবিধান বিষয়ক বিভিন্ন গ্ৰন্থ ৰখা হৈছে। দেশৰ চহকী সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত জনসাধাৰণৰ সজাগতা বৃদ্ধি কৰাৰ লগতে অনৈক্যৰ মাজত ঐক্যৰ ভাৱধাৰা শক্তিশালী কৰাটোৱে হৈছে এই গ্ৰন্থ কুটিৰৰ মূল উদ্দেশ্য। এই উপলক্ষে দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই গ্ৰন্থ কুটিৰ হৈছে ভাৰতৰ ধ্ৰুপদী ভাষাসমূহৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰপতি ভৱনৰ সন্মিলিত প্ৰচেষ্টাৰ এটা অংশ। ভাৰতীয় ধ্ৰুপদী ভাষাসমূহৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই ভাষাসমূহে আধুনিক ভাৰতীয় ভাষাৰ বিকাশত উল্লেখনীয় অৱদান আগবঢ়াই আহিছে।

00000

গোৱাত অহা ২৭ৰ পৰা ৩০ জানুৱাৰীলৈকে ভাৰত শক্তি সপ্তাহৰ চতুৰ্থ সংস্কৰণ আৰম্ভ হ'ব। নতুন দিল্লীত আজি এই কাৰ্যসূচী সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কয়, যে এই শক্তি সন্মিলনে শক্তি সুৰক্ষা, অৰ্থনৈতিক আৰু স্থায়ী বিকাশ সন্দৰ্ভত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। এই অনুষ্ঠানত ৭৫ হাজাৰতকৈও অধিক প্ৰতিনিধিয়েও ভাগ লোৱাৰ সম্ভাৱনা আছে।

তেওঁ কয়, যে মাত্ৰ ৪ বছৰতে ভাৰত শক্তি সপ্তাহে গোলকীয় শক্তি খণ্ডত এটা অনন্য স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। সন্মিলনত কানাডা, আৰব, আমিৰি ৰাষ্ট্ৰ, ছুডান, জিম্বাব'ৱে, ট্ৰিনিডাত, টোবাগো, ওমান আৰু ব্ৰুনেইকে ধৰি ১৭ খন ৰাষ্ট্ৰৰ মন্ত্ৰী আৰু উপ-মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। শ্ৰীপুৰীয়ে লগতে কয়, যে সন্মিলনৰ মূল কাৰ্যসূচীৰ সমান্তৰালভাৱে অনান্য বিভিন্ন কাৰ্যসূচী আৰু আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ নৰম ঘূৰণীয়া মেজমেল অন্যতম। এই ঘূৰণীয়া মেজমেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ মুখ্য কাৰ্যবাহী বিষয়া, দেশৰ আগশাৰীৰ শক্তি আৰু প্ৰযুক্তি কোম্পানীসমূহৰ নেতাসকলৰ সৈতে মত বিনিময় কৰিব।

00000

দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডৰ বাবে নতুন দিল্লীৰ কৰ্তব্য পথত প্ৰস্তুতি অব্যাহত আছে। এই পেৰেডত দেশৰ বাৰেৰহনীয়া সংস্কৃতি, সামৰিক পৰাক্ৰম আদি প্ৰদৰ্শন কৰা হ'ব। সশস্ত্ৰ বাহিনীসমূহৰ লগতে বিভিন্ন ৰাজ্যৰ শক্তি আৰু সংস্কৃতিক প্ৰতিফলিত কৰা নিৰ্বাচিত প্ৰতীকপটসমূহো এই পেৰেডত প্ৰদৰ্শন কৰা হ'ব। নতুন দিল্লীত কালি বৰষুণৰ মাজতো গণৰাজ্য দিৱসৰ পেৰেডৰ পূৰ্ণাংগ অনুশীলন কৰা হয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সেনা বাহিনীসমূহৰ মুৰববী মেজৰ জেনেৰেল নৱৰাজ ধীল্লনে কয়, যে এইবাৰৰ গণৰাজ্য দিৱস ভাৰতীয় সেনাই দেশৰ পৰাক্ৰম আৰু বিজয়ক প্ৰতিফলিত কৰি অপাৰেচন সিন্দূৰ প্ৰতীকপট প্ৰদৰ্শন কৰিব। তেওঁ কয়, যে লেফটেনেণ্ট জেনেৰেল ভৱনীশ কুমাৰে চতুৰ্থবাৰৰ বাবে এই পেৰেডত নেতৃত্বত দিব। পেৰেডত প্ৰায় ৬ হাজাৰ ৫০ সেনা বিষয়াই ভাগ ল'ব বুলি তেওঁ জানিবলৈ দিয়ে। মেজৰ জেনেৰেল ধীল্লনে লগতে কয়, যে লাডাখ স্কাউটছৰ লগতে ভৈৰৱ বেটেলিয়ান আৰু শক্তিবাণ ৰেজিমেণ্টে প্ৰথমবাৰৰ বাবে এই পেৰেডত ভাগ ল'ব।

00000

ভাৰতীয় নিৰ্বাচন আয়োগে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াক কৰ্তব্যত অৱহেলা আৰু অসৎ আচৰণ কৰা বুথ স্তৰৰ বিষয়াৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

আয়োগে মুখ্য কাৰ্যবাহী বিষয়াসকললৈ লিখা এখন পত্ৰত উল্লেখ কৰিছে যে কৰ্তব্যত অৱহেলা বা গাফিলতি, দুৰ্ব্যৱহাৰ বা অসৎ আচৰণ, ইচ্ছাকৃতভাৱে নিৰ্দেশনা পালন নকৰা বা জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ আৰু নিৰ্বাচক পঞ্জীয়ন নিয়ম ১৯৬০ উলংঘা কৰা গোচৰত নিলম্বনকে ধৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। চৰকাৰী কৰ্তব্য পালন কৰাৰ সময়ত বুথ পৰ্যায়ৰ বিষয়াই নিৰ্বাচনী তালিকাৰ তথ্য, অখণ্ডতা বা বিশ্বাসযোগ্যতাত বিৰূপ প্ৰভাৱ পেলোৱা কাণ্ড কৰিলে কৰ্তব্যৰ পৰা অব্যাহতি দিয়াৰ লগতে কঠোৰ ব্যৱস্থাও গ্ৰহণ কৰাৰ কথাও উল্লেখ কৰা হৈছে। আয়োগে লগতে স্পষ্ট কৰিছে যে অপৰাধমূলক আচৰণ কৰাসকলৰ বিৰুদ্ধে গোচৰো পঞ্জীয়ন কৰা হ'ব পাৰে।

ooooo

সক্ৰিয় শাসন আৰু সময়মতে কাৰ্যকৰীকৰণৰ বাবে প্ৰধানমন্ত্ৰীৰ ধ্বজাবাহী মঞ্চ 'প্ৰগতি' য়ে এটি উল্লেখযোগ্য  মাইলৰ খুঁটিৰূপে ইয়াৰ ৫০ সংখ্যক বৈঠকৰ সফল পৰিচালনা সম্পন্ন কৰিছে।

২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰাৰ পাছৰে পৰা প্ৰগতিয়ে তেওঁৰ প্ৰত্যক্ষ পৰ্যালোচনাৰ জৰিয়তে মূল আন্তঃগাঁথনি প্ৰকল্প আৰু ৰাইজৰ অভিযোগ-সমস্যাসমূহৰ বাস্তৱ সময়ৰ নিৰীক্ষণ আৰু সমাধান কৰি শাসন ব্যৱস্থাৰ ৰূপান্তৰ ঘটাইছে। এটা দশক ধৰি প্ৰগতিয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উপৰি মূল আন্তঃগাঁথনি প্ৰকল্পসমূহত বিলম্ব হোৱা সমস্যাসমূহৰ সমাধানত সহায় কৰিছে আৰু দায়বদ্ধতাৰ এটা শক্তিশালী সংস্কৃতি গঢ়ি তুলিছে।

এই প্ৰসংগতে আমাৰ সংবাদদাতাই ছত্তিশগড়ৰ ৩০নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰায়পুৰ-কোডেবোড় অংশৰ চাৰিলেনযুক্তকৰণকলৈ প্ৰস্তুত কৰা প্ৰতিবেদনত উল্লেখ কৰিছে যে, ৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱাই মধ্য চত্তীশগড়ৰ ঘাইপথ আধুনিকীকৰণৰ এটি বৃহৎ পদক্ষেপৰূপে চিহ্নিত হৈছে। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন কাৰ্যসূচীৰ অধীনত ২০১৬ চনৰ ছেপ্টেম্বৰ মাহত ৯৮৭ কোটি ৮৮ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰকল্পটো ৰূপায়ণ কৰিছিল। কিন্তু প্ৰকল্পটোৱে সন্মুখীন হোৱা সামগ্ৰী যোগানৰ বাধা আৰু আন্তঃমন্ত্ৰালয়ৰ সমন্বয়ৰ প্ৰত্যাহ্বান আদিৰ মাজতে এই ভূমি ডিআৰডিঅ'ৰ বুলি চিনাক্ত কৰা হয় ফলত ইয়াৰ আনুষ্ঠানিক হস্তান্তৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ পৰিকাঠামোৰ অধীনত কাম কৰিবলৈ অনুমতিৰ প্ৰয়োজন হয়।

২০২৩ চনৰ ফেব্ৰুৱাৰীত 'প্ৰগতি'ৰ অধীনত প্ৰকল্পটোৰ পৰ্যালোচনা কৰা হয় আৰু প্ৰয়োজনীয় পদক্ষেপৰ মাজেৰে ২০২৩ চনৰ ২০ জুনত কাম আৰম্ভ কৰা হয়। বিশেষ প্ৰকল্পটোত অৱশিষ্ট ভূমি আৰু সামগ্ৰী-যোগানৰ সমস্যা আদি সমাধানৰ ক্ষেত্ৰত 'প্ৰগতি'য়ে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ooooo

পাকিস্তানত যোৱা নিশা সংঘটিত এটা আত্মঘাতী বোমা বিস্ফোৰণত ৭জনৰ মৃত্যু আৰু আন ২৫ জন আঘাতপ্ৰাপ্ত হয়।

উত্তৰ-পশ্চিম খাইবাৰ পখতুনখোৱা প্ৰদেশৰ শান্তি সমিতিৰ এজন সদস্যৰ বাসগৃহত বিবাহ অনুষ্ঠানৰ সময়তে এই বিস্ফোৰণ সংঘটিত কৰোৱা হয়। স্থানীয় আৰক্ষীয়ে নিশ্চিত কৰিছে যে কুৰেছি ম'ৰৰ সমীপৰ শান্তি সমিতিৰ মুৰব্বী নূৰ আলম মেহছুদৰ বাসগৃহত এই

আক্ৰমণ সংঘটিত হৈছে। নিহতসকলৰ ভিতৰত শান্তি সমিতিৰ নেতা ৰাহিদুল্লাহ মেহছুদ ওৰফে জিগ্ৰী মেহছুদো থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। ২০৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে ১৫ অভাৰ আৰু দুটা বলতে ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। অধিনায়ক সূৰ্য কুমাৰ যাদৱে ৩৭টা বলত ৮২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ঈষাণ কিষাণেও ৩২টা বলত ৭৬ ৰান আৰু শিৱম ডুবেই ১৮টা বলত ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰি, জেকফ ডাফি আৰু ইশ্ব ছ'ধীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিয়মত ২০৮ ৰান সংগ্ৰহ কৰে। অধিনায়ক মিচ্ছেল ছেণ্টনাৰে সৰ্বাধিক ৪৭ আৰু ৰাচিন ৰবীন্দ্ৰই ৪৪ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে দুটা আৰু হাৰ্দিক পাণ্ডিয়া, হৰ্ষিত ৰাণা, শিৱম ডুবে আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট লাভ কৰে। ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত